**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 27-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিগবৈ আৰু মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ।

২। কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন।

*আৰু*

৪। আজি বড়ো-কছাৰী জনগোষ্ঠীৰ অন্যতম ধৰ্মীয় অনুষ্ঠান বাথৌ পূজা।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিগবৈ আৰু চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেকসমূহ বিতৰণ কৰে। মাহমৰা বিধানসভাৰ গৰৌমাৰী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত কাৰ্যসূচীত সমষ্টিটোৰ ২৫ হাজাৰ ৫৫১ গৰাকী মহিলাক ১০ হাজাৰ টকাৰ চেক আগবঢ়োৱা হয়। ডিগবৈত ১৭ হাজাৰ ২৬৪ গৰাকী মহিলাক চেক বিতৰণ কৰা হয়। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি সমষ্টিটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ আঁচনিৰ উদ্বোধন কৰাৰ উপৰি আধাৰশিলা স্থাপন কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এই আঁচনিৰ জৰিয়তে অসমৰ ৮ লাখ মহিলাক ইতিমধ্যে স্বনিৰ্ভৰশীল হৈছে। প্ৰত্যেক মহিলাক আত্মনিৰ্ভৰশীল কৰি তোলাটোৱে চৰকাৰৰ লক্ষ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই ধনৰ জৰিয়তে মহিলাসকলে উৎপাদনমূলক কাম-কাজত জড়িত হোৱা উচিত। তেনে সফল মহিলাক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ আৰু ৫০ হাজাৰকৈও প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে মহিলাসকলে গ্ৰাম্য অৰ্থনীতিৰ ভেটি টনকিয়াল কৰিব লাগিব। অহা তিনি বছৰত প্ৰতিটো আত্মসহায়ক গোটৰ মহিলাসকল লাখ পতিত পৰিণত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যত ৩৫ লাখ মহিলা আত্মসহায়ক গোটৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হৈ আছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই দুয়োটা সমষ্টিতে মুঠ ৪২ হাজাৰ ৮১৫ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰে।

০০০০০০০

কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। ২ এপ্ৰিলত এই অধিৱেশনৰ সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে অধিৱেশন মুকলি কৰা হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পহিলা ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেতবোৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ লগতে সদনৰ কাম-কাজ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

০০০০০০০

গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহৰ আজি বিয়লি উদ্বোধন কৰা হ'ব। মুখ্য অতিথিৰূপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰাও উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ কথা।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা এই প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্‌ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব।

০০০০০০০০

২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অহা ১০ৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অলপতে এই কথা প্ৰকাশ কৰিছে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭ হাজাৰ ৩৫৫ খন বিদ্যালয়ৰ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৩ হাজাৰ ১০৩ খন শিক্ষানুষ্ঠানৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বিদ্যালয় শিক্ষা বিভাগৰ নীতি-নিয়ম মানি চলি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। চলিত বছৰৰ এই পৰীক্ষাসমূহ কেৱল চৰকাৰী শিক্ষানুষ্ঠানতহে অনুষ্ঠিত কৰাৰ লগতে চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীহে তত্বাৱধায়কৰ দায়িত্বত থাকিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি উজনি অসমৰ শৈক্ষিক প্ৰাণকেন্দ্ৰ চহৰখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে সদৰি কৰে।

০০০০০০০

ৰাজ্যত অহা এপ্ৰিলত আৰম্ভ হ'বলগীয়া ২০২৭ৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ সমীক্ষাত পৰিয়ালসমূহে ৩৩টা প্ৰশ্নৰ উত্তৰ দিব লাগিব। দেশৰ মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্তই দৈনন্দিন জীৱনৰ সকলো বিষয় সামৰি ৩৩টা প্ৰশ্ন নিৰ্ধাৰণ কৰি দিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে লোকপিয়লৰ প্ৰথম পৰ্যায়ত মূল্যায়নকাৰীসকলে বাসগৃহৰ বিৱৰণ, খোৱাপানীৰ উৎস, শৌচাগাৰৰ আৰু স্নানাগাৰৰ ব্যৱস্থা, ঘৰত থকা বাহন, লেপটপ, মোবাইল ফোন, টিভিকে ধৰি অন্যান্য ব্যৱহাৰ্য সামগ্ৰী, পোহৰৰ উৎস, ৰন্ধন গেছৰ ইন্ধন, এল পি জি সংযোগক ব্যৱস্থাকে ধৰি অন্যান্য বিষয়ৰ প্ৰশ্ন সামৰি লোৱা হ'ব। চৰকাৰে ইতিমধ্যে প্ৰথম পৰ্যায়ত লোকপিয়ল হ'বলগীয়া খণ্ডসমূহৰ তালিকা প্ৰস্তুত কৰিছে আৰু ইয়াৰ বাবে কেইবাহাজাৰ গণনাকাৰীক নিয়োগ কৰা হ'ব। এইবাৰ প্ৰথমবাৰৰ বাবে ডিজিটেল পদ্ধতিৰে ডাটা

এণ্ট্ৰি কৰা হ'ব আৰু মোবাইল এপ্লিকেচনৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। ৰাজ্য চৰকাৰে ইতিমধ্যে বিশ্বজিত পেগুক লোকপিয়লৰ সঞ্চালক হিচাপে নিযুক্তি দিছে।

oooooooo

আজি বড়ো-কছাৰী জনগোষ্ঠীৰ অন্যতম ধৰ্মীয় অনুষ্ঠান বাথৌ পূজা। বড়ো জনগোষ্ঠীৰ ঘাই দেৱতা বাথৌৰ উপাসনা বছৰত দুবাৰকৈ কৰা হয়। জনগোষ্ঠীটোৰ বিশ্বাস অনুযায়ী বাথৌ হৈছে তেওঁলোকৰ পিতৃ দেৱতা। হিন্দু ধৰ্মৰ লোক দেৱতা শিৱৰ সৈতে বাথৌ দেৱতাৰ সাদৃশ্য আছে। ভাষাগত দিশৰ পৰা বাথৌ শব্দৰ ব্যুৎপত্তি বা মানে পঞ্চ আৰু থৌ মানে তত্বৰ পৰা হৈছে বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। অৰ্থাৎ পঞ্চতত্বত বিশ্বাসী বড়ো-কছাৰীসকলে এই পূজাত সৃষ্টি কৰ্তা আৰু পূৰ্বজক প্ৰকৃতি পূজাৰ জৰিয়তে স্মৰণ কৰে।

*(মিউজিক)*

বাথৌ পূজাত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি বাথৌ বেদীত স্থাপন কৰা হয়। ইয়াৰ লগতে উৎপাদনশীলতাৰ প্ৰতীক এটা ঘূৰণীয়া শিল আৰু কুকুৰা কণী আগবঢ়াই দেৱতাগৰাকীক উপাসনা কৰা হয়। এই পূজাত সুৰা আৰু মাংসৰ নৈবদ্য আগবঢ়োৱাৰ লগতে দেওধানী নাচ প্ৰদৰ্শন কৰি ভৱিষ্যতবাণী কৰা হয়। ইয়াৰ লগতে বাথৌ দেৱতাক সন্তুষ্ট কৰিবলৈ খেৰাই নাচো প্ৰদৰ্শন কৰা হয়।

বিটিএডিৰ বিভিন্ন অঞ্চলৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইত বসবাস কৰা বড়ো-কছাৰী জনগোষ্ঠীৰ বাথৌ ধৰ্মীয় লোকসকলে আজি  উলহ-মালহেৰে এই পূজাৰ আয়োজন কৰিছে।

oooooooo

আই আই টি গুৱাহাটীৰ শিক্ষাৰ্থীসকলৰ বাৰ্ষিক অনুষ্ঠান আলচেৰিঙ্গা মহোৎসৱ পৰহিলৈৰ পৰা ১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। ৩০ সংখ্যক আলচেৰিঙ্গা মহোৎসৱৰ এইবাৰৰ বিশেষ আকৰ্ষণ বলীউদৰ জনপ্ৰিয় কণ্ঠশিল্পী ছান। প্ৰায় ডেৰ লাখ লোকে অংশগ্ৰহণ কৰিবলগীয়া এই মহোৎসৱত ৰাজ্যৰ হিয়াৰ আমঠু জুবিন গাৰ্গক বিশেষভাৱে সোঁৱৰণ কৰা হ'ব।

oooooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বদোদৰাৰ বি চি এ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুক ১৫ ৰানত পৰাজিত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰণ কৰি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাই ইণ্ডিয়ানছৰ হৈ হেলী মেথিউজে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে শ্বাবনীম ইছমাইল আৰু এমেলিয়া কেৰে দুটাকৈ তথা অমনজ্যোত কৌৰে এটা উইকেট লাভ কৰে।

প্ৰতিযোগিতাত আজি বদোদৰাত একেখন খেলপথাৰতে দেলহী কেপিটেলছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

**সমাপ্ত**